পৰিয়ালটোৰ খবৰ লোৱা নাই।

লালুকত ভয়ংকৰ কাণ্ড

# আশাকৰ্মীৰ হাতে হাতে ছীল-মোহৰসম্বলিত উকা জন্মৰ প্ৰমাণপত্ৰ

প্ৰতিদিন সংবাদ, লখিমপুৰ, ২৯ জুলাই ঃ জন্মৰ প্ৰমাণপত্ৰ প্ৰদানৰ নামত দুৰ্নীতি-অনিয়মত লিপ্ত হোৱাৰ অভিযোগত লখিমপুৰ জিলাৰ লালুক আদৰ্শ চিকিৎসালয়ৰ জন্ম-মৃত্যুৰ পঞ্জীয়কৰ দায়িত্বৰ পৰা ডাঃ মতিলাল বেজবৰুৱা অপসাৰিত হৈ বলগা হোৱাৰ ঘটনাৰ চৰ্চা অব্যাহত থকাৰ সময়তে আন এক গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিছে। তথামতে যোৱা ২৬ জুলাইৰ বিয়লি লালুক আদৰ্শ চিকিৎসালয় চৌহদত কেইগৰাকীমান আশাকৰ্মীৰ হাতে হাতে নৱজাতকৰ নাম বা অভিভাৱকৰ নাম-ঠিকনা নথকা কিছুমান উকা জন্মৰ প্ৰমাণপত্ৰ দৃষ্টিগোচৰ হয়। এই প্ৰমাণপত্ৰসমূহৰ তলৰ অংশত বিভাগীয় ছীল-মোহৰ আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা বিষয়াগৰাকীৰ অস্পষ্ট স্বাক্ষৰ আৰু এটা পঞ্জীয়ন নম্বৰ উল্লেখ থকাৰ বাহিৰে নৱজাতকৰ নাম, জন্মৰ তাৰিখ অথবা পিতৃ-মাতৃৰ ঠিকনা একেবাৰেই উল্লেখ নাই।

প্ৰতিদিন 30/07/15